সম্প্ৰসাৰণ বুলেটিন নং ০৯/২০১২-১৩

# বৈজ্ঞানিক ভিত্তিত হাঁহ পালন



ডা: আৰফান আলী

কৃষি বিজ্ঞান কেন্দ্ৰ
অসম কৃষি বিশ্ববিদ্যালয়
তিনিচুকীয়া

আমাৰ গ্ৰাম্য অৰ্থনীতিত হাঁহ-কুঁকুৰা পালনে এক বিশেষ ভূমিকা পালন কৰি আহিছে। তৎক্ষণাৎ ল'ৰা ছোৱালীৰ স্কুলৰ মাচুল দিয়াৰ পৰা আৰম্ভ কৰি আকস্মিকতে ওলোৱা আলহীলৈ বুলি হাঁহ- কুকুৰাৰ মাংস বা কণীৰ গুৰুত্বৰ কথা আমাৰ সৰ্বজন বিদিত। তাৰোপৰি বৰ্তমানৰ নিবনুৱা সমস্যা উপশমৰ বাবে সমন্বিত কৃষিৰ লগতে উন্নত জাতৰ হাঁহ পালনে কৰ্মসংস্থাপন যোগানত সহায় কৰিব পাৰে। আমাৰ পৰম্পৰাগত হাঁহ-কুঁকুৰা পালনক কিছুপৰিমাণে হ'লেও বৈজ্ঞানিক ব্যৱস্থাপ্ৰণালীৰ স্পৰ্শ প্ৰদান কৰিব পাৰিলে আমি অধিক উৎপাদন আৰু আয় বৃদ্ধিত সফলতা অৰ্জন কৰিব পাৰো। আমাৰ অসমৰ গ্ৰামাঞ্চলৰ প্ৰায় প্ৰতিঘৰতেই সৰু পুখুৰী নাইবা পানী জমা হোৱা গাত বা খাল থাকে। তাৰোপৰি ওচৰে পাজৰে খাল, বিল, নদী আদি অতি সহজতে পোৱা যায়। তেনেকুৱা ঠাইবোৰত এটি স্বাস্থ্যসুলভ পৰিবেশ গঢ়ি বৈজ্ঞানিক পদ্ধতিত হাহঁ পালন কৰিলে আৰ্থিক উন্নতি কৰিব পাৰি। ঘৰতে কেইটামান হাঁহ পোহাৰ বাবে পানীৰ ডাঙৰ উৎস অত্যাৱশ্যকীয় নহয় যদিও হাঁহৰ বাবে অলপ অচৰপ পানীৰ ব্যৱস্থা থাকিলে ভাল।

আমাৰ থলুৱা পাতি হাহঁবোৰে বছৰত মাত্ৰ ৩০-৪০ টা কণী দিয়ে যাৰ বিপৰীতে উন্নত জাতৰ হাঁহ যেনে খাকি কেম্পবেল, চৰা চামেলী আদিয়ে তাৰ ৪-৫ গুণ প্ৰায় ২০০-৩০০ টা কণী দিয়ে। যদি এজন মানুহৰ ঘৰত ২০ জনী হাঁহ থাকে আৰু তাৰে ৫০ শতাংশই অৰ্থাৎ ১০ জনী হাঁহে কণী পৰাত থাকে তেন্তে প্ৰতিটো কণীত ৬ টকা হাৰে তেওঁৰ দৈনিক আয় হ'ব ৬০ টকা আৰু মাহেকত ১৮০০ টকা। তাৰে পৰা গড় হিচাপে দৈনিক ১০ টকা হাঁহবোৰৰ খাদ্য আৰু দৰৱৰ কাৰণে খৰচ কৰিব লগা হ'লেও গাত নালাগে।

**হাঁহৰ খাদ্যাভ্যাস:**

ঘৰত পোহা হাঁহ-কুকুৰাবোৰে সাধাৰণতে চৰি ফুৰি খায়েই জীৱন নিৰ্বাহ কৰিব পাৰে কিন্তু অধিক উৎপাদনৰ বাবে অতিৰিক্ত পুষ্টিযুক্ত খাদ্য যোগান ধৰাটো প্ৰয়োজনীয়। গতিকে যিমানেই বেছি উৎপাদনক্ষম প্ৰাণী হয় গাত সিমানেই বেছি পুষ্টিৰ চাহিদা হয়। উন্নত জাতৰ হাঁহৰ ভিতৰত খাকি কেম্বেল বা চৰা চামেলী নামৰ হাঁহ দুবিধে জনপ্ৰিয়তা পোৱা দেখা গৈছে। এনে হাঁহবোৰ আমাৰ থলুৱা হাঁহ কুকুৰাৰ দৰে মেলি দি পুহিব পাৰি। সঁচৰ বাবে উন্নত জাতৰ হাঁহৰ নিষেচিত কণী উমনিত বহা আমাৰ থলুৱা হাঁহ বা কুকুঁৰাৰ তলত দিও পোৱালী ওলাব পাৰি। হাঁহৰ কণীৰ পৰা পোৱালী ওলাবলৈ গড় সময় লাগ ২৮ দিন। নতুবা যদি বিশ্বাসযুক্ত উৎসৰ পৰা ভাল গুণসম্পন্ন পোৱালীও সংগ্ৰহ কৰিব পৰা যায় তেন্তে অলপ বয়সীয়াল যেনে এমহীয়া বা তাতোধিক বয়সৰ পোৱালী সংগ্ৰহ কৰাটোৱেই ভাল। কাৰণ সঠিক উমনি দিয়া (Brooding, ব্ৰুডিং) ব্যৱস্থাপনাৰ জ্ঞান নথকা হেতুকে প্ৰথম কেই সপ্তাহমানতে অধিকতৰ পেৱালীৰ মৃত্যু হোৱা দেখা যায়।

ঘৰত পোহা সৰু জাকৰ মেলি দিয়া হাঁহবোৰে সেউজীয়া ঘাঁহ, পোক-পৰুৱা, শামুক, কেচু, জলজ, স্থলজ আৰু ঘৰৰ নানাবিধ পেলনীয়া জৈৱ পদাৰ্থ আদি খাই জীয়াই থাকে। তেনেদৰে পোহা হাঁহবোৰৰ কণী বা গাত মাংস উৎপাদন যথেষ্ট কম পৰিমাণৰ হয় কাৰণ তেনে আহাৰৰ পৰা অধিক উৎপাদনৰ বাবে লাগতীয়াল উপাদান পৰ্য্যাপ্ত পৰিমাণে পোৱা নাযায়। অধিক উৎপাদনৰ বাবে কিছু পৰিমানৰ হ'লেও সুষম আহাৰ য'ত লাগতীয়াল সকলো ধৰণৰ উপাদান সঠিক পৰিমাণে সংমিশ্ৰিত কৰা থাকে যোগান ধৰিব লাগে। অসমৰ বজাৰত হাঁহৰ বাবে তৈয়াৰ কৰা বিশেষ দানা উপলব্ধ নহয় যদিও কণী পৰা কুকুৰা (Layer)ৰ বাবে ব্যৱহাৰ কৰা দানা (Layer mesh) পোৱা যায় যাক হাঁহৰ দানা হিচাপেও ব্যৱহাৰ কৰিব পাৰি। এনে দানাৰ লগত চাউলৰ মল (Rice polish) সৰ্বোচ্চ ৫০ শতাংশ লৈকে ব্যৱহাৰ কৰিব পাৰি আৰু এইদৰে খৰচৰ পৰিমাণ আৰু অধিক কমাব পাৰি। বয়স অনুপাতে প্ৰতিটো হাঁহক দৈনিক ১০০ -২০০ গ্ৰামকৈ দানা যোগান ধৰিব লাগে। পুৰণা ভেকুৰ লগা দানা হাঁহক কেতিয়াও খুৱাব নালাগে কাৰণ তেনে কৰিলে ভেকুৰ উৎপাদিত পদাৰ্থৰ পৰা বিষক্ৰিয়া হৈ হাঁহবোৰ অস্বাভাৱিক ভাবে মৃত্যু হোৱা দেখা যায়। পাত্ৰত দানা দিওতে এদিনতে খাই শেষ কৰিব পৰা পৰিমাণৰ দানাহে দিব লাগে যাতে পাত্ৰত দানা ৰৈ যোৱাৰ ফলত ভেকুৰৰ বিকাশ নঘটে। নিতৌ দানাৰ পাত্ৰ ভালদৰে জীৱাণুনাশক দ্ৰৱেৰে ধুই, শুকুৱাইহে দানা দিব লাগে। দানাৰ লগতে পৰিস্কাৰ পানীৰো যোগান ধৰিব লাগে।

**হাঁহৰ থকা ঠাই:**

হাঁহ থকা গৰালটো সদায় পানী জমা হ'ব নোৱৰা ওখ ঠাইত সাজিব লাগে আৰু শুকানকৈ ৰখাৰ ব্যৱস্থা কৰিব লাগে। মজিয়াৰ ওপৰত লিটাৰ (Litter) হিচাপে শুকান তুঁহ পাৰিব লাগে আৰু সময়ে সময়ে ওলট-পালট কৰি দিব লাগে আৰু প্ৰয়াজন অনুযায়ী পৰিবৰ্তন কৰি থাকিব লাগে। কণী পৰা বয়স হোৱাৰ লগে লগে গৰালত উপযুক্ত জোখৰ কণী পৰা বাকচ (Nest Box) বহুৱাই দিব লাগে। এজনী প্ৰাপ্ত বয়স্ক হাঁহক প্ৰায় ২.৫-৩ বৰ্গফুট ঠাইৰ প্ৰয়োজন হয়। হাঁহ গৰালটোত অহৰহ বতাহ চলাচলৰ ব্যৱস্থা কৰিব লাগে।

**হাঁহৰ স্বাস্থ্য সম্পৰ্কীয় ব্যৱস্থাপনা:**

হাঁহৰ স্বাস্থ্য সম্পৰ্কীয় ব্যৱস্থাপনাৰ বাবে ওচৰৰ পশু স্বাস্থ্যকেন্দ্ৰৰ লগত অথবা অভিজ্ঞ পশু বিশেষজ্ঞৰ লগত যোগাযোগ ৰখাটো অতি প্ৰয়োজনীয়। থলুৱা পদ্ধতিৰে খোলাকৈ পোহা হাঁহৰ বিশেষ আহাৰৰ প্ৰয়াজন নহয় যদিও বিভিন্ন সময়ত হাইঁবাৰ অপুষ্টিত ভোগা দেখা যায়। গতিকে দিনটাত অলপ পৰিমাণৰ হ'লেও সুষম আহাৰ যোগান ধৰিব পাৰিলে কোনো বিশেষ ভিটামিন জাতীয় দৰৱৰ প্ৰয়োজন নহয় কিন্তু ১-২ মাহৰ মুৰে মুৰে পেলুৰ দৰৱ খুৱাব লাগে। যদি সুষম আহাৰ দিয়াটো একেবাৰে সম্ভৱ নহয় তেন্তে ঘৰুৱা দানাৰ লগত খনিজ পদাৰ্থৰ

মিশ্ৰনৰ ১ কি·গ্ৰা· দানাত ১ চামুচ পৰিমাণৰ মিহলাই খুৱাব লাগে। তেনে কৰিলে প্ৰয়োজনীয় পুষ্টিখিনি পাই থাকে। বেক্টেৰীয়া জনিত বিভিন্ন বেমাৰত উপযুক্ত সময়ত সঠিক প্ৰতি জৈৱিক দৰৱৰ ব্যৱহাৰৰ বাবে পশু চিকিৎসকৰ পৰামৰ্শ লব লাগে। বৰ্তমান ওচৰৰ পশু স্বাস্থ্যকেন্দ্ৰৰ, কৃষি বিজ্ঞান কেন্দ্ৰৰ বা কিছান কল চেণ্টাৰ (Kisan call centre)ৰ পশু চিকিৎসকজনক অনায়াসে ফোনেৰেই যোগাযোগ কৰিব পাৰি। কিছান কল চেণ্টাৰৰ মাচূলমুক্ত নম্বৰটো হ'ল: ১৮০০১৮০১৫৫১। হাঁহৰ ভাইৰাছজনিত বেমাৰৰ ভিতৰত হাঁহৰ কলেৰা বা Duck plague নামৰ বেমাৰবিধ আটাইতকৈ মাৰাত্মক। বহু সময়ত এই বে-মাৰত কোনো আগতীয়া লক্ষন নেদেখুৱাকৈ হাঁহবোৰ চৰিফুৰা সময়তে ধৰফৰাই মৰিব ধৰে। আন সময়ত লক্ষন হিচাপে স্নায়ুজনিত কাৰণত অঙ্গ বিকল হোৱা লক্ষন সমূহ প্ৰদৰ্শন কৰে। এই ৰোগ প্ৰতিৰোধৰ বাবে বৰ্তমানলৈকে বজাৰত কোনো প্ৰতিষেধক ছিটা কিনিবলৈ পাৱা নাযায়। অসম চৰকাৰৰ অধিনস্থ Veterinary Biologicals বুলি খানাপাৰা, গুৱাহাটীত অৱস্থিত প্ৰতিষ্ঠানটোৱে অসমৰ পশুপালক সকলৰ বাবে হাঁহৰ ডাক প্লেগ আৰু গাহৰিৰ গাহৰি জ্বৰ (Swine fever) বেমাৰৰ প্ৰতিষেধক ছিটা প্ৰস্তুত কৰে। গতিকে হাঁহ আৰু গাহৰি পালক সকলে ৰাজ্যিক পশু চিকিৎসালয়ৰ চিকিৎসক আৰু জিলা পশুপালন বিষয়াৰ যোগেদি উক্ত ছিটা দুবিধ অনাৰ ব্যৱস্থা কৰিব পাৰে। উপৰোক্ত ব্যৱস্থাৱলী কাৰ্য্যত পৰিণত কৰিব পাৰিলে ঘৰতে পোহা হাঁহকেইটাৰ পৰা নিশ্চয় বৰ্তমান পাই থকা আয়তকৈ অধিক পৰিমাণৰ আয় আশা কৰিব পাৰি।






